A Peer Reviewed Multidisciplinary Research Book on Arts, Humanities and Social Sciences

ISBN : 978-93-6076-726-6

BRISTI PUBLICATION BOARD
Assam :: India

# Bristi

# বৃষ্টি

Editor in Chief :
Dr. Binita Bora Dev Choudhury (Hon'ble Guest)
Editor :
Hiren Das & Dr. Latu Moni Deka

# সূচীপত্ৰ


- কাঁহ শিল্পীসকলৰ সমাজ আৰু সংস্কৃতি /০১
  - বিপুল ডেকা
- মফিজুদ্দিন আহমদ হাজৰিকাৰ কবিতাত আধ্যাত্মিক দৰ্শন /১৫
  - ছাইফুল হাছান
- হালধি ঃ অসমীয়া সমাজ-জীৱনত ইয়াৰ গুৰুত্ব /২৯
  - শিল্পীশিখা তালুকদাৰ, পৰিণীতা কলিতা
- জুৰী বৰা বৰগোহাঞিৰ 'আকুশ' আৰু 'সিহঁত' উপন্যাসত নাৰী নিৰ্যাতনৰ ছবি /৩৫
  - ড° মলয়া গগৈ
- নৱকান্ত বৰুৱাৰ 'কপিলীপৰীয়া সাধু' উপন্যাসত নদী আৰু মানুহৰ সম্পৰ্ক ঃ এটি অধ্যয়ন/৪৩
  - জিতাশ্ৰী বৰপূজাৰী
- 'বকুল ফুলৰ দৰে' উপন্যাসত কাহিনী, চৰিত্ৰ আৰু বৰ্ণনাৰ ঐক্যতান ঃ এক বিশ্লেষণাত্মক অধ্যয়ন /৪৮
  - ড° বিপুল কাকতি
- লোককথাত অসমীয়া লোকসমাজৰ চিত্ৰ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন /৫৯
  - ডুলন মণি তালুকদাৰ
- হোমেন বৰগোহাঞিৰ উপন্যাস ঃ এটি আলোচনা /৭৪
  - ড° বিনীতা বৈশ্য
- বিভূতিভূষণ বন্দোপাধ্যায়ৰ 'পথেৰ পাঁচালী' উপন্যাস ঃ এক সামগ্ৰিক অৱলোকন/৮১
  - ড° স্বপ্না হাজৰিকা

Social Sciences
**BRISTI**, ISBN 978-93-6076-726-6

# কাঁহ-শিল্পীসকলৰ সমাজ আৰু সংস্কৃতি

✍ বিপুল ডেকা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, বাপুজী কলেজ, সৰুক্ষেত্ৰী

**সংক্ষিপ্তসাৰ ঃ** অসমৰ কুটিৰ শিল্পসমূহৰ ভিতৰত কাঁহ-শিল্প অন্যতম। কাঁহ-শিল্পীসকলৰ বৰ্তমানৰ বাসস্থান সৰ্থেবাৰী। পূৰ্বতে সৰ্থেবাৰীৰ উপৰিও ৰহা, তিতাবৰ আদি অঞ্চলতো এই শিল্পৰ অৱস্থিতি আছিল বুলি জনা যায়। সৰ্থেবাৰীৰ সামাজিক আৰু সাংস্কৃতিক জীৱন কাঁহ-শিল্পক লৈ গঢ়ি উঠা। পূৰ্বতে সৰ্থেবাৰীৰ প্ৰতিঘৰ মানুহেই কাঁহ-শিল্পৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাবে জড়িত আছিল। সেয়ে সৰ্থেবাৰীৰ সমাজ আৰু সংস্কৃতিয়ে কাঁহ-শিল্পীসকলৰ সমাজ আৰু সংস্কৃতি। কাঁহ-শিল্পীসকলৰ সমাজ আৰু সংস্কৃতিৰ প্ৰতিটো কথাতে কিছুমান বিশেষত্ব লক্ষ্য কৰা যায়। আনপিনে শিল্পটোৰ লগত দক্ষিণ পূৱ এচিয়াৰ বৌদ্ধধৰ্মী মানুহখিনিৰ নিবিড় সম্পৰ্ক আছে। বৌদ্ধধৰ্মী লোকসকলে বাদ্যযন্ত্ৰ হিচাপে ব্যৱহাৰ কৰা তাল সৰ্থেবাৰীৰ কাঁহ-শিল্পীৰদ্বাৰা নিৰ্মিত। কাঁহ-শিল্পীসকল যৌগিক ধাতুৰ শিল্পী। কাঁহ এবিধ যৌগিক ধাতু। ৭৮% তাম আৰু ২২% ৰাং মিহলাই কাঁহ প্ৰস্তুত কৰা হয়। কাঁহৰ সামগ্ৰী নিৰ্মান কাৰ্যত জোখ-মাখ অতি নিৰ্ভূল হ'ব লাগে। কাঁহ গলাই (Melt) পিঠা কৰি, সেই পিঠাবোৰ গৰম কৰি হাতুৰীৰে কোবাই কাঁহৰ সামগ্ৰী প্ৰস্তুত কৰা হয়। গৰম কৰিবলৈ এঙাৰ ব্যৱহাৰ কৰা হয়। কয়লাৰ জুইৰ উত্তাপ বেছি কাৰণে ইয়াৰ নিৰ্মানত কয়লা ব্যৱহাৰ নহয়। স্বাভাবিকতে ই এটা বুদ্ধিদ্বীপ্ত শিল্প। এই কাৰণতে কাঁহ-শিল্পীসকলৰ সমাজ আৰু সংস্কৃতিৰ ক্ষেত্ৰত কিছুমান ব্যতিক্ৰমধৰ্মী কথা দেখা যায়, যিটো সাধাৰণতে অইন কুটিৰ শিল্পৰ ক্ষেত্ৰত দেখা

নাযায়।

**বীজ শব্দ ঃ** সৰ্থেবাৰী, কাঁহ-শিল্প, সমাজ, সংস্কৃতি

**১.০ অৱতৰণিকা ঃ**

**১.০.১ বিষয়বস্তুৰ পৰিচয় ঃ**

সৰ্থেবাৰী অঞ্চলৰ কাঁহ-শিল্পীসকল কেতিয়া এই অঞ্চলটিলৈ আহি থিতাপি ল'লৈ, সেই বিষয়ে কোনো ঐতিহাসিক তথ্য নাই। অৰ্থাৎ ই বহু পুৰণি শিল্প। কিছুমান লোক-প্ৰবাদ, কিম্বদন্তিমূলক কথা অঞ্চলটোত প্ৰচলিত আছে। ইতিহাস দৰ্শনৰ আধাৰত এইবোৰ কথা বিচাৰ বিশ্লেষণ কৰিলে হয়তো কিছু ঐতিহাসিক সমল উদ্ধাৰ হ'ব পাৰে। সৰ্থেবাৰীৰ মানুহৰ বংশবৃক্ষৰ অধ্যয়ন কৰিলে দেখা যায় যে ইয়াৰ পূৰ্ব পুৰুষসকল প্ৰত্যক্ষ বা পৰোক্ষভাবে কাঁহ-শিল্পৰ লগত জড়িত আছিল। সেয়ে সৰ্থেবাৰীৰ সমাজ আৰু সংস্কৃতিৰ লগত কাঁহ-শিল্পীসকলৰ সমাজ আৰু সংস্কৃতিৰ পাৰ্থক্য নাই। সুক্ষ্ম পৰ্যবেক্ষণত এইটো স্পষ্ট ৰূপত দেখা যায় যে সৰ্থেবাৰী অঞ্চলৰ সকলো সামাজিক কাৰ্যকলাপ শিল্পটোৰ লগত সম্পৰ্কিত। কাঁহ-শিল্পীসকলৰ সমাজ ব্যৱস্থাত ৰজাদিনীয়া প্ৰশাসনিক ব্যৱস্থাৰ আৰ্হি দেখা যায়। গোটেই সমাজখন মুঠ পাঁচটা খেলত বিভক্ত। প্ৰতিটো খেলৰ পৰা একোজন মুখিয়াল নিৰ্বাচিত কৰা হয়। তেওঁলোকক পঞ্চ প্ৰধান বোলে। এই পঞ্চপ্ৰধানৰদ্বাৰা সমাজখন পৰিচালিত হয়। কাঁহ-শিল্পীসকলৰ সমাজখনক তেওঁলোকে সৰ্থেবাৰী পাঁচখেল গঞা গয়ৰহ বুলি কয়। বিভিন্ন চুপাবিলাকৰ নামৰ শেষত থকা 'থেৰ' শব্দ তাৎপৰ্যপূৰ্ণ। যেনে ঃ কাজিথেৰ, যমথেৰ, তালুকদাৰথেৰ ইত্যাদি। কাঁহ-শিল্পীসকলৰ ইতিহাস চৰ্চাত পাঁচখেল, গয়ৰহ, পঞ্চ প্ৰধান, থেৰ আৰু মেল শব্দকেইটাৰ অৰ্থ, প্ৰয়োগ, বুৎপত্তি আৰু ব্যাখ্যা গুৰুত্বপূৰ্ণ। একবিংশ শতিকাৰ পৰিবৰ্তিত সমাজ ব্যৱস্থাত আজিও সৰ্থেবাৰীৰ কাঁহ-শিল্পীসকল এক নিকপকীয়া সামাজিক আৰু সাংস্কৃতিক বান্ধোনেৰে বান্ধ খাই আছে। স্বাভাবিকতেই ই এক গৱেষণাৰ বিষয়। কাঁহ-শিল্পীসকলে পালন কৰা সাংস্কৃতিক পৰম্পৰাসমূহৰ ভেটি ভাৰতীয় বা অসমীয়া সাংস্কৃতিক পৰম্পৰা যদিও শিল্পীসকলে



ইয়াক ব্যতিক্ৰম ৰূপত পালন কৰি আহিছে। তেওঁলোকে পালন কৰা আটাইতকৈ গুৰুত্বপূৰ্ণ অনুষ্ঠানটো হৈছে- সৰ্থেবাৰীৰ সভা। ই এক ব্যতিক্ৰমধৰ্মী অনুষ্ঠান বৈদিক সংস্কৃতিৰ লগত বৈষ্ণৱ সংস্কৃতিৰ যি সংমিশ্ৰণ ঘটোৱা হৈছে, তেনে সংমিশ্ৰণ কোনো সাংস্কৃতিক পৰম্পৰাতে দেখা নাযায়। বিধান মণ্ডল, ন্যায়পালিকা আৰু কাৰ্যপালিকাৰ প্ৰকৃত স্বৰূপ কাঁহ-শিল্পীসকলৰ সমাজ ব্যৱস্থাত দৃষ্টিগোচৰ হয়। বৰ্তমানেও তেওঁলোকৰ সমাজ ব্যৱস্থাত চৰকাৰী বিধি ব্যৱস্থাতকৈ পৰম্পৰাগত ব্যৱস্থাই অগ্ৰাধিকাৰ পায়। কাঁহ-শিল্পীসকলৰ সমাজ আৰু সংস্কৃতিৰ অধ্যয়নে ইতিহাসৰ এখন নতুন দুৱাৰ মুকলি কৰাৰ সম্ভাৱনা আছে। এই উদ্দেশ্য আগত ৰাখিয়ে এই আলোচনাত আগবঢ়া হৈছে।

**১.০.২ অধ্যয়নৰ উদ্দেশ্যঃ**

কাঁহ-শিল্পীসকলৰ সামাজিক আৰু সাংস্কৃতিক প্ৰমূল্যসমূহৰ সুক্ষ্ম অধ্যয়নৰদ্বাৰা শিল্পীটোৰ ঐতিহাসিক সমল উদ্ধাৰৰ উদ্দেশ্যে এই গৱেষণা-পত্ৰ প্ৰস্তুত কৰা হৈছে।

**১.০.৩ অধ্যয়নৰ পদ্ধতিঃ**

গৱেষণা-পত্ৰখন প্ৰস্তুত কৰোঁতে বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। মুখ্য উৎস হিচাপে ক্ষেত্ৰ অধ্যয়ন আৰু প্ৰকাশিত বিভিন্ন কিতাপ আলোচনী লোৱা হৈছে। বিভিন্ন লোককথা, কিম্বদন্তি আদিক গৌণ উৎস হিচাপে গ্ৰহণ কৰা হৈছে আৰু সিবোৰৰ কিবা ঐতিহাসিক ভিত্তি আছে নেকি, সেয়া বিশ্লেষণ কৰা হৈছে।

**২.০ কাঁহ-শিল্পীসকলৰ ভৌগোলিক অৱস্থানঃ**

পূৰ্বতে যদিও হা, তিতাবৰ আদি অঞ্চলত কাঁহ-শিল্পৰ অৱস্থিতি আছিল বুলি কোৱা হয়, বৰ্তমান কিন্তু পৰম্পৰাগত কাঁহ-শিল্পীৰ এখনেই ঠাই, সৰ্থেবাৰী। বৰপেটা জিলাৰ উত্তৰ পূৰ কোণত অৱস্থিত সৰ্থেবাৰী আৰু ইয়াৰ ওচৰ পাজৰত কিছু সংখ্যক গাঁও কাঁহ-শিল্পীসকলৰ বাসস্থান। সৰ্থেবাৰীৰ গাতে লাগি থকা গোমূৰা, কাৰাকুছি, নামশলা, পল্লা, লছিমা, বেঙাপাৰা, আমৃখোৱা আদি গাঁওৰ কিছুসংখ্যক লোক কাঁহ-শিল্পৰ লগত জড়িত। ক্ষেত্ৰ অধ্যয়নৰ পৰা এইটো স্পষ্ট হয় যে এই গাঁওসমূহলৈ সৰ্থেবাৰীৰ পৰাই কাঁহ-শিল্পৰ সম্প্ৰসাৰণ ঘটিছে। বিয়া-বাৰুৰ জৰিয়তে

সৰ্থেবাৰীৰ মানুহৰ লগত সম্পৰ্কিত হোৱাত আৰু বাসস্থান সলনিৰ ফলস্বৰূপে এই গাঁওসমূহলৈ কাঁহ-শিল্পৰ সম্প্ৰসাৰণ ঘটিছে। 'সৰ্থেবাৰী গাঁও (বৰ্তমানৰ ক্ষুদ্ৰনগৰ) এই অঞ্চলটিৰ স্নায়ু-কেন্দ্ৰ, অঞ্চলৰ ভিতৰতেই সবাতকৈ আগবঢ়া, জনবহুল আৰু একমাত্ৰ কাঁহ-শিল্পৰ গাঁও। সৰ্থেবাৰীৰ গাতে লাগি থকা গোমুৰা, কাৰাকুছি, আৰু নামশলা গাঁওৰো কিছু সংখ্যক লোকে এই শিল্পৰ প্ৰৱৰ্তন কৰিলেও সৰ্থেবাৰীৰ বাহিৰে অঞ্চলটিৰ বাকীবোৰ গাঁৱৰ প্ৰধান জীৱিকা কৃষি।'[১] ২০১১ চনৰ লোক পিয়ল মতে সৰ্থেবাৰীৰ মুঠ জনসংখ্যা ৬৯১৩ জন। ইয়াৰে ৩৪৪২ গৰাকী পুৰুষ আৰু ৩৪৭১ গৰাকী মহিলা। পুৰুষসকলৰ ৭০% লোকে প্ৰত্যক্ষ বা পৰোক্ষভাৱে কাঁহ-শিল্পৰ লগত জড়িত। সৰ্থেবাৰীত মুঠ ১৬ খন চুপা আছে আৰু এই ১৬ খন চুপা পাঁচটা খেলত বিভক্ত। চুপাসমূহ- শালাকাঠিয়াথেৰ চুপা, তামুলীথেৰ চুপা, পাটোৱাৰীথেৰ চুপা, যোগীৰবড়ী চুপা, ওজাথেৰ চুপা, চৌধুৰীথেৰ চুপা, কাতিয়াথেৰ চুপা, কাজিথেৰ চুপা, তালুকদাথেৰ চুপা, নতুন আতাথেৰ চুপা, পুৰণি আতাথেৰ চুপা, মুচলমান চুপা, যোগদ্ চুপা, ডাবোৰ চুপা, যমথেৰ চুপা, নতুন তালুকদাৰথেৰ চুপা। খেল পাঁচোটা হ'ল-শালাকাঠিয়াথেৰ খেল, তামুলীথেৰ খেল, কাজিথেৰ খেল, আতাথেৰ খেল আৰু তালুকদাৰথেৰ খেল। ১৯৫৫ চনৰ ৩১ ডিচেম্বৰ তাৰিখে সৰ্থেবাৰীক নগৰ ঘোষণা কৰা হয়। সৰ্থেবাৰী সৰুক্ষেত্ৰী মৌজা আৰু সৰুক্ষেত্ৰী সমষ্টিৰ একমাত্ৰ নগৰ।

**২.০.১ কাঁহ-শিল্প আৰু সৰ্থেবাৰী ঃ**

সৰ্থেবাৰীৰ বাসিন্দাসকলৰ পূৰ্বৰ জীৱিকা কি আছিল বা কাঁহ-শিল্পৰ লগত জড়িত হোৱাৰ আগতে তেওঁলোকৰ কিবা বেলেগ বৃত্তি আছিল নেকি, এই বিষয়ে একো জনা নাযায়। বিষয়বস্তুৰ আলোচনা প্ৰসঙ্গত আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে কাঁহ-শিল্প বিদ্যা এটা অতি জটিল বিদ্যা। ইয়াত হিচাপ নিকাচৰ ইমানেই গুৰুত্ব যে সামান্য ইফাল সিফাল হলেই শিল্প কৰ্মত ব্যাঘাত জন্মে। গতিকে পূৰ্বৰ বিদ্যা এৰি এই বিদ্যা যে সোনকালে আয়ত্ব কৰিব পাৰিব এইটো ভাবিব নোৱাৰি। দ্বিতীয়তে, পূৰ্বতে কিবা বেলেগ বিদ্যা থাকিলে পৰৱৰ্তী সময়ত তাৰ কিবা নহয় কিবা স্মৃতি চিহ্ন পোৱা গ'লহেতেন।



তৃতীয়তে, কাঁহ-শিল্পৰ আগতে মানুহখিনিৰ বৃত্তি কৃষি আছিল বুলি অলপো ভাবিব নোৱাৰি। কাৰণ ইয়াৰ মাটি বছৰৰ ৮ মাহ পানীৰ তলতেই থাকে আৰু যি অলপ বাম ঠাই আছে সিয়ো খেতিৰ অনুপযোগী বালি মাটি। কাঁহ-শিল্পীসকলে কিছু ওখ ঠাইত অতি ঘন বসতি কৰি বাস কৰিছিল, য'ত কৃষি সংস্কৃতিৰ কোনো চিন-মোকাম নাই। গতিকে এইটো একেবাৰে খাটাং সিদ্ধান্ত কৰিব পাৰি যে, সৰ্থেবাৰীলৈ মানুহৰ আগমন ঘটিছিল কাঁহশিল্পীৰ ৰূপত। কামৰূপৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মাই হৰ্ষবৰ্দ্ধনলৈ দিয়া উপহাৰ ভিতৰত 'কাংস্য-পাত্ৰ'ৰ উল্লেখ আছে। এই কথাটোৰ আঁত ধৰি বহুতে এই কাংস্য-পাত্ৰ সৰ্থেবাৰীতে গঢ়িছিল বুলি ক'ব খোজে। সেয়া হ'লে সৰ্থেবাৰীত মানুহৰ পদাৰ্পন ৭ ম শতিকা বা তাৰো আগতে ঘটিছিল। কিন্তু সৰ্থেবাৰীত লোকসকলৰ বংশলতা পৰীক্ষা কৰিলে দেখা যায় যে ত্ৰয়োদশ শতিকাৰ আগত ইয়াত মানুহৰ বসতি নাছিল। গতিকে কাংস্য-পাত্ৰ গঢ়োঁতা কাঁহ-শিল্পী সৰ্থেবাৰীৰ নাছিল; কিন্তু তেওঁলোক কামৰূপৰে আছিল। আহোম ৰজা প্ৰতাপসিংহৰ ৰাজত্বকালত গাঁওবিলাক সংগঠিত ৰূপ দিয়া হৈছিল আৰু ইয়াৰ নেতৃত্বত আছিল মোমাই তামুলী বৰবৰুৱা। প্ৰতাপসিংহৰ দিনতে পাইক আৰু খেল প্ৰথাৰ সৃষ্টি কৰা হৈছিল। এই বিলাকক অলম লৈ বহুতে প্ৰতাপসিংহৰ ৰাজত্ব কালত কাঁহ-শিল্পীসকলক সৰ্থেবাৰীত সংস্থাপিত কৰিছিল বুলি ক'ব খোজে। কিন্তু মনকৰিবলীয়া কথাটো হ'ল প্ৰতাপসিংহৰ ৰাজত্ব কাল খ্ৰীষ্টীয় সপ্তদশ শতিকা আৰু সপ্তদশ শতিকাৰ বহু আগৰ পুথি পাজিত সৰ্থেবাৰীৰ উল্লেখ আছে। এই সকলোবিলাক কথাৰ অধ্যয়নত এইটো স্পষ্ট হয় যে কামৰূপৰে অন্য ঠাইত থকা কাঁহ-শিল্পীসকলে প্ৰাকৃতিক দুৰ্যোগ বা আন কাৰণত খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাত এই ঠাইলৈ আহিছিল। কাঁহ-শিল্পীসকল অহাৰ পিচতহে এই ঠাইৰ নাম সৰ্থেবাৰী হৈছিল। প্ৰতাপসিংহৰ খেল প্ৰথাৰ লগত সৰ্থেবাৰীৰ খেল প্ৰথাৰ কোনো ঐতিহাসিক সম্পৰ্ক নাই। 'আহোমৰ ৰাজত্বৰ প্ৰশাসনৰ খেলবন্দীৰ খেল আৰু সৰ্থেবাৰীৰ পাঁচখেলৰ খেল একেধৰণৰ নহয়।'[২]

**৩.০ কাঁহ-শিল্পীসকলৰ সমাজ ঃ**

কাঁহ-শিল্পীসকলৰ সমাজখনক তেওঁলোকে সৰ্থেবাৰী পাঁচখেল গঞা

গয়বহ বুলি কয়। পাঁচখেলৰ প্ৰসঙ্গ ইতিমধ্যে উল্লেখ কৰা হৈছে। 'গয়ৰহ' শব্দটো আৰবী 'কাৰবাহ' শব্দৰ পৰা আহিছে। ইয়াৰ অৰ্থ- প্ৰভৃত্তি আদি। সৰ্থেবাৰীৰ বাহিৰে অসমৰ কোনো গাঁৱৰ নামৰ লগত এই শব্দটো সংযুক্ত হোৱা দেখা নাযায়। শব্দটোৰ ব্যৱহাৰে অঞ্চলটোত মুছলমান শাসনৰ প্ৰভাব পৰাৰ ইংগিত বহন কৰে। কাঁহ-শিল্পীসকলৰ মাজত গঞা শব্দৰ বহুল প্ৰয়োগ আছে।

৫.০.১ চুপা, থেৰ, খেল, মেল ঃ

সৰ্থেবাৰী গাঁওখন (এতিয়া নগৰ)ত মুঠতে ১৬ টা চুপা আছে। এই চুপাসমূহৰ নাম ইতিমধ্যে উল্লেখ কৰা হৈছে। কিছুমানে ভবাৰ দৰে চুপা শব্দটো চুবুৰী বা চুবৰ অপভ্ৰংশ নহয়। চুপা শব্দটো অনুসৰ্গ। যেনে ঃ বাঁহ-চুপা। অৰ্থাৎ এজোপা বাঁহৰ পৰা গজালি ওলাই সৃষ্টি হোৱা এটা জোপোহা। সৰ্থেবাৰীৰ চুপাসমূহো এজন মানুহৰ পৰা বংশ বিস্তাৰ হৈ সৃষ্টি হোৱা জনসমষ্টি। যেনে ঃ যম বুঢ়াৰ পৰা যমথেৰ চুপা, কজি বুঢ়াৰ পৰা কাজিথেৰ চুপা ইত্যাদি। 'থেৰ' শব্দটোত বৌদ্ধ ধৰ্মৰ প্ৰভাৱ অনুভূত হয় ১/৪ '...প্ৰবাদ অনুসৰি 'সন্থাথেৰ' বস্তিৰ পৰাই ঠাইডোখৰৰ নাম সৰ্থেবৰী হৈছিল।'[৩] 'থেৰ' শব্দই বৌদ্ধ ধৰ্মীয় পৰম্পৰাত কামনা বাসনা ৰহিত অৰ্থাৎ স্থবিৰ জনক বুজায়। চাৰি পাঁচখন চুপা লগ লাগি এটা খেলৰ সৃষ্টি হৈছে। পাঁচোটা খেলৰ একোজনকৈ মুৰব্বী মিলি পঞ্চ প্ৰধানৰ সৃষ্টি। এই পঞ্চ প্ৰধানে সমাজখনৰ মূল চালিকা শক্তি। পঞ্চ প্ৰধান শব্দটোৰ বৈদিক যুগৰ পৰা চলি অহা ভাৰতীয় পঞ্চায়তী ব্যৱস্থাটোৰ লগত সম্পৰ্কৰ ইঙ্গিত দিয়ে। 'ভাৰতবৰ্ষৰ ৰাজনৈতিক দৃশ্যপটৰ পৰিবৰ্তনৰ পটভূমিত ঋগ্বৈদিক যুগৰ স্ব-শাসকৰ পৰাই পঞ্চায়তীৰূপত আত্মপ্ৰকাশ কৰিছিল।'[৪] কাঁহ-শিল্পীসকলৰ সমাজখনৰ পঞ্চ প্ৰধান কেইজন এনেধৰণৰ- শালাকাঠিয়াথেৰ খেলৰ পৰা মজুমদাৰ, আতাথেৰ খেলৰ পৰা ভঁৰালী, কাজিথেৰ খেলৰ পৰা পাঠক, তামুলীথেৰ খেলৰ কৰা আহ্বায়ক আৰু অনন্তৰাথেৰ খেলৰ পৰা অৰ্চক। পঞ্চপ্ৰধানে লগ হৈ গাঁৱৰ বিভিন্ন সমস্যা তথা ৰাজহুৱা কাম-কাজৰ তদাৰক কৰে আৰু প্ৰয়োজনবোধে মেল আহ্বান কৰে। এই মেলত পুৰুষসকলে উপস্থিত থাকি মতামত ব্যক্ত কৰে। শেষত পঞ্চ প্ৰধানৰ হৈ মজুমদাৰে এটা সিদ্ধান্ত দিয়ে আৰু ৰাইজে তাক সমস্বৰে হৰিধ্বনিৰ মাজেৰে



গ্ৰহণ কৰে। ইয়াত কোনো লিখিত প্ৰস্তাৱ আদিৰ ব্যৱস্থা নাথাকে। গোটেই ৰাইজখনৰ হৈ পঞ্চ প্ৰধানে বিধান মণ্ডল, ন্যায়পালিকা আৰু কাৰ্যপালিকাৰ কাম কৰে। কাঁহ-শিল্পীসকল সমাজখনত আজিও পঞ্চ প্ৰধানৰ গুৰুত্ব অধিক। মেল আহ্বান কৰা, কাঁহ-শিল্পীসকলৰ ইতিহাসে ঢুকি নোপোৱা দিনৰ পৰা চলি অহা প্ৰথা। বিগত শতিকাৰ শেষ দশকলৈকে আহ্বায়কৰ আহ্বানমৰ্মে এজন মানুহে বেল কোবাই মুখেৰে চিঞৰি চিঞৰি মেলৰ জাননী দিছিল। ভাৰতীয় ৰাজন্যবৰ্গই ঢোল পিটি জাননী দিয়াৰ লগত এই কাৰ্যটোৰ সম্পূৰ্ন সামঞ্জস্য আছিল। মেল শব্দটোৰ লগতো বৌদ্ধধৰ্মৰ সম্পৰ্ক দেখা যায়। সকলো ৰাজহুৱা উৎসৱ-অনুষ্ঠান, বাদ-বিবাদ, জনকল্যানমূলক কাম আদিৰ আলোচনা মেলবিলাকত হয় আৰু মেলৰ সিদ্ধান্ত সকলোৱে আন্তৰিকতাৰে গ্ৰহণ কৰে। চৰকাৰী বিধি ব্যৱস্থা বিফল হোৱা ক্ষেত্ৰতো মেলৰ সিদ্ধান্তৰ সফল প্ৰয়োগ হোৱা দেখা যায়। প্ৰসঙ্গত ১৫ দিন ব্যাপি চলা সভাৰ মেল উল্লেখযোগ্য।

## ৪.০. কাঁহ-শিল্পীসকলৰ সাংস্কৃতিক জীবন ঃ

কাঁহ-শিল্পীসকলৰ সাংস্কৃতিক জীৱন বহু বিচিত্ৰ। প্ৰচলিত উৎসৱ অনুষ্ঠানৰ উপৰিও কিছুমান ব্যতিক্ৰমধৰ্মী অনুষ্ঠান শিল্পীসকলৰ সাংস্কৃতিক জীৱনৰ অনুসংগ। মূলতঃ প্ৰায়ভাগ শিল্পীয়ে নাম প্ৰসঙ্গ আদিত দক্ষ আৰু ঘোষা কীৰ্ত্তন সুন্দৰকৈ গাব পাৰে।

### ৪.০.১ সৰ্থেবাৰীত সভা ঃ

কাঁহ-শিল্পীসকলৰ সৰ্ববৃহৎ সাংস্কৃতিক পৰম্পৰা সৰ্থেবাৰীৰ সভা। এই সভা অনুষ্ঠান অতি ব্যতিক্ৰমধৰ্মীতাৰে উদ্‌যাপন কৰা হয়। মাঘী পূৰ্ণিমাৰ দিনাৰ পৰা সাতদিন বিয়াপি অনুষ্ঠিত হোৱা এই সভাত হোমৰ দিনাখন গোসাই ব্ৰাহ্মণ পূজাৰীয়ে হোম-যজ্ঞ কৰে আৰু তাৰ পিচপিনে এখন বগা কাপোৰ তৰি বৈষ্ণৱ ভকতৰ নেতৃত্বত গগন ভেদা নাম কীৰ্ত্তন অনুষ্ঠিত কৰা হয়। পূৰ্বতে সভাৰ ঠাইত কালীপূজা কৰা হৈছিল। পিচে বৈষ্ণৱ সম্প্ৰদায়ৰ মানুহখিনি ৰৈ যোৱাৰ বাবে এনেকুৱা এটা মিশ্ৰিত পৰম্পৰা গঢ় দি সভা অনুষ্ঠিত কৰিব ল'লে। যৌগিক ধাতু (কাঁহ)ৰ শিল্পীসকলে সমাজখনকো সংযুক্ত কৰি ৰাখিছিল। 'সভাৰ মেলবোৰে

সমন্বয়, সংহতিৰ আঁত ধৰি ব্যক্তিগত তথা ৰাজহুৱা দায়-জগৰ, হাই-কাজিয়া আদিৰ উচিত বিচাৰ কৰি ভাঙোনমুখী চিন্তাধাৰা প্ৰতিৰোধ কৰে আৰু সমগ্ৰ জনতাৰ অকুণ্ঠ সহায় সহযোগিতাত সভা পালন কৰা হয়।'[৫] সভা চাবলৈ অহা যাত্ৰীসকলক চাউল, দাইল, খৰি আৰু মাটিৰ বাচন দি সিধা দিয়া প্ৰথা আজিকোপতি চলি আছে। সভাৰ হোম-যজ্ঞৰ বাহিৰে বাকী কেইদিন নাম-কীৰ্ত্তনে প্ৰাধান্য পায়। সভাৰ লগত অনুষ্ঠিত কৰা বৃহৎ বাণিজ্যমেলাখন কাঁহ-শিল্পীসকলে নিখুঁতভাৱে পৰিচালনা কৰে।

**৪.০.২ এক পইচাৰ নামঃ**

কাঁহ-শিল্পীসকলৰ ই এক ব্যতিক্ৰমধৰ্মী সাংস্কৃতিক পৰম্পৰা। '১৮৯০ চন মানত সৰ্থেবাৰীত মহামাৰীৰূপে দেখা দিয়া কলেৰা, বসন্ত আদি ৰোগৰ পৰা হাত সাৰিবলৈ এই নামৰ ব্যৱস্থা কৰা হৈছিল বুলি গাঁৱৰ বৃদ্ধলোকসকলে কয়।'[৬] ব্যতিক্ৰমধৰ্মী বুলি এই কাৰণেই কোৱা হৈছে যে এই নামভাগত সৰ্থেবাৰীৰ সকলো ডাঙৰ প্ৰতিজনৰ পৰা এক পইচাকৈ সংগ্ৰহ কৰি নামৰ খৰছ বহন কৰা হৈছিল। ইয়াৰ ফলত এটা অতি নিখুঁত লোক পিয়ল সম্পন্ন হৈছিল। এক পইচাৰ নাম আজিও অনুষ্ঠিত হয়, মাথোন এতিয়া ১ পইচাৰ ঠাইত এটকাকৈ সংগ্ৰহ কৰা হয়। সাত বিহুৰ দিনা অনুষ্ঠিত 'পাউৰাসোৰি' (পাৰসুৱেঁৰী) ৰ থিয়নামৰ অন্তত এক পইটাৰ নামৰ দিনাবাৰ ঠিক কৰা হয়।

**৪.০.৩ দেৱী পূজা ঃ**

অসমৰ কোনো গাঁৱতে নথকা এই অনুষ্ঠানটো নৱমী পূজাৰ দিনা সৰু সৰু ল'ৰা-ছোৱালীবোৰে ঘৰে ঘৰে অনুষ্ঠিত কৰে। ল'ৰাতকৈ ছোৱালীৰ অংশগ্ৰহণ বেছি। আজিৰ পৰা কিছু বছৰ আগলৈকে সৰু ছোৱালীবোৰে ঘৰতে সৰুকৈ তাঁতশাল পাতি দেৱীৰ কাৰণে কাপোৰ বইছিল। ইয়াক 'ফুলৰকানি' বুলি কোৱা হৈছিল। নৱমীৰ দিনা ৰোৱাৰী পুৱাতে উঠি সৰু সৰু ল'ৰা ছোৱালীবোৰে লোকৰ ঘৰৰ পৰা ফুল চুৰি কৰি আনি দেৱীক সজাইছিল। বেছিভাগে নিজৰ মূৰ্তিভাগ নিজেই সাজি লৈছিল। শিশুসকলৰ এনেকুৱা স্বতন্ত্ৰ আনন্দ উৎসৱ সাধাৰণতে বৰ বিৰল।



**৪.০.৩ দৌল উৎসৱ ঃ**

যিবিলাক চুপাত দৌল আৰু বিগ্ৰহ আছে সেইবিলাক চুপাত দৌল উৎসৱ পালন কৰা হয়। দৌল পূৰ্ণিমাৰ দিনা গোঁসাই ঘৰৰ বিগ্ৰহ দৌলত স্থাপন কৰা হয়। দিনযোৱা কাৰ্যসূচীৰে নাম কীৰ্ত্তন অনুষ্ঠিত কৰি পিচদিনা বিগ্ৰহ লৈ শোভাযাত্ৰা কৰে। ইয়াক গোঁসাই ফুৰোৱা বুলি কোৱা হয়।

**৪.০.৪ জন্মাষ্টমী, পচতি,মহোহো ঃ**

জন্মাষ্টমীৰ দিনাখন কাঁহ-শিল্পীসকলে গড়শাল বন্ধ ৰাখি সভাৰ খোলাৰ বৰ নামঘৰত ৰাজহুৱা নামৰ আয়োজন কৰে। ৰাতি চুপাৰ গোঁসাই ঘৰত গোঁসাই জগোৱা নাম ধৰা হয়। কিছুবছৰ আগলৈকে জন্মাষ্টমীৰ দিনা আল্পা জানত বিৰাট নাওঁখেলৰ আয়োজন কৰা হৈছিল। অষ্টমীৰ পাঁচ দিন পিচত চুপাৰ গোঁসাই ঘৰবিলাকত পচতি অনুষ্ঠিত কৰে। কৌতুকপূৰ্ণ এই অনুষ্ঠানত আইসকলে পুৰুষৰ সাজপাৰ পৰিধান কৰি কোনোজনীয়ে ব্ৰাহ্মণ, কোনোজনীয়ে গণক হৈ গোঁসাইৰ 'গণনি' অনুষ্ঠান কৰে। মহোহো কামৰূপৰ অন্যান্য অঞ্চলৰ দৰে কিছু স্থানীয় পদ্ধতিৰে সৰু ল'ৰাবোৰে অনুষ্ঠিত কৰে।

**৪.০.৫ জাতি আৰু ধৰ্মীয় পৰম্পৰা ঃ**

কাঁহ-শিল্পীসকলৰ সমাজখন মুঠতে তিনিটা জাতিৰ লোক আছে। কলিতা, কেওট আৰু কোঁচ। কলিতা জাতিৰ মানুহৰ আধিক্যৰ বিপৰীতে তামুলীথেৰ খেলৰ মানুহখিনি কেওট আৰু তালুকদাৰথেৰ খেলত কেইঘৰমান কোঁচ জাতিৰ লোক আছে। ব্ৰাহ্মণ, গোসাই আদি উচ্চ জাতিৰ লোক এঘৰো নাই। হিন্দু মানুহখিনিৰ আটাইখিনিয়ে মূলতঃ মহাপুৰুষীয়া সম্প্ৰদায়ৰ। কাজিথেৰ খেলৰ মানুহখিনি বৈষ্ণৱ পন্থৰ। ইয়াৰ বিপৰীতে প্ৰায়ভাগ লোক হৰিদেৱ পন্থৰ আৰু কিছুসংখ্যক দামোদৰী পন্থৰ। ইচলামধৰ্মী লোকৰ সংখ্যা একেবাৰে কম। তেওঁলোকৰ মাজত কাঁহ-শিল্পী নাই। মূল সাংস্কৃতিক পৰম্পৰাৰ অংগ নহলেও ইচলামধৰ্মী লোকসকলৰ সৰ্থেবাৰী সমাজ গঠনত ভূমিকা আছে। মামুল আলী নামৰ এজন ইচলামধৰ্মী লোক বিখ্যাত মেলেকী আছিল বুলি জনা যায়।

**৪.০.৬ লোক বিশ্বাস, লোক সাহিত্য ঃ**

জন্ম, মৃত্যু আৰু বিবাহৰ লগত জড়িত লোক বিশ্বাসসমূহ অন্য ঠাইৰ লগত প্ৰায় একে। গৰ্ভধাৰণৰ পাঁচ মাহত আৰু সাত মাহত 'খুৱেনী' অনুষ্ঠান, জাতকৰ পাঁচদিনৰ দিনা গণনি, এমাহৰ অন্তত 'আউচা' (অশৌচীয়া) নাম-এই কেইটা মূলত জন্ম সম্বন্ধীয় লোকাচাৰ। 'আউচা' নামত শিশু কৃষ্ণ কেন্দ্ৰিক নাম আইসকলে পৰিৱেশন কৰে। বিয়া বৈদিক প্ৰথামতে অনুষ্ঠিত কৰা হয়। 'আগেয়ে ছোৱালীৰ বাল্য বিবাহ প্ৰচলিত আছিল আৰু গা-ধন আদি দি কইনাৰ মাক-বাপেক, গএগ-গিয়াতিক সন্তুষ্ট কৰিহে ছোৱালী বিয়া কৰাই নিব লাগিছিল।' [৭] মৃত্যুৰ ক্ষেত্ৰত সকাম নিকামৰ অন্তত গএগ-গিয়াতিক এসাজ খুওৱাৰ নিয়ম। দেও-ভূতৰ লগত কাঁহ-শিল্পীসকলৰ বহু-বিশ্বাস জড়িত হৈ আছে। তেওঁলোকে বেজ, ওজা আদিক পৰম বিশ্বাস কৰিছিল যদিও আধুনিক শিক্ষাই কিছু পৰিমানে পৰিস্থিতি পৰিৱৰ্তন কৰিছে। লোক-বিশ্বাস, লোক-অনুষ্ঠান আদিৰ লগত ভালেমান লোক-সাহিত্য জড়িত হৈ আছে। দেৱীপূজা, নাওঁখেল আদিত গোৱা বহু গীত সংৰক্ষণৰ অভাৱত ইতিমধ্যে হেৰাই গৈছে। তলত দেৱীপূজা আৰু নাওঁখেলৰ গীতৰ এটি নমুনা দিয়া হ'ল।

**দেৱী পূজাৰ গীত**

আমাৰ দেৱীৰ ছুলিকোছা অ' পাণ বিধাছী অ'।
অ' গান্ধী ৰাজাক দিলা পান বিধাছী অ'।।
তাহাৰ (তাহাঁতৰ) দেৱীৰ ছলিকোছা অ'পাণ বিধাছী অ'।
অ' ইন্দ্ৰে (এন্দুৰে) কাটি নিলা পাণ বিধাছী অ'।। [৮]

**নাওঁখেলৰ ঘোষা পদৰ অন্তত গোৱা গীত**

ঘাটে নাওঁ চাপে দিয়া
ও বনমালী।
আমি একো নাজানো
অবোধ ছোৱালী।।



হৰিধ্বনি ঃ জয়....এ ...কৃষ্ণ বুলি হৰিবোল
হৰিবোল হৰিবোল হৰিবোল
হৰিবোলো।। [৯]

**৪.০.৭ খাদ্য অভ্যাস ঃ**

অতিপাত ঘন বসতি আৰু বৃত্তিগত কৰ্মৰ লগত সংগতি নথকা কাৰণে কাঁহ-শিল্পীসকলৰ খেতি-বাতিৰ প্ৰতি মনোযোগ কম। যিহেতু শিল্পীসকলে কৰ্মদিনৰ অন্তত মজুৰি পায়, সেয়ে তেওঁলোকে বজাৰ-সমাৰ কৰি ভাল পায় আৰু খেতি-বাতি কৰি খোৱাতকৈ কিনি খাই বেছি ভাল পায়। কাঁহ-শিল্পীসকলৰ আমিষ ভোজন প্ৰিয়। তিথি-পৰ্ব বাদ দি তেওঁলোকে ৰাতিৰ সাজ নিৰামিষ নাখায় বুলিবই পাৰি। খাদ্যৰ বিচিত্ৰতাতকৈ খাদ্যৰ সোৱাদৰ প্ৰতি শিল্পীসকল বেছি মনোযোগী। প্ৰকান্তৰে ক'ব পাৰি প্ৰতিজন কাঁহ-শিল্পীয়ে একোজন ভাল ৰান্ধনি।

**৫.০ সিদ্ধান্ত ঃ**

এই অধ্যয়নৰ অন্ত তলত উল্লেখ কৰা সিদ্ধান্তসমূহত উপনীত হ'ব পাৰোঁ।

১/ কাঁহ-শিল্পীৰ ৰূপত সৰ্থেবাৰীলৈ মানুহৰ আগমন ঘটিছিল। কাঁহ-শিল্পীসকলে অহাৰ পিচত ঠাইখনে সৰ্থেবাৰী নাম পাইছিল।

২/ খ্ৰীষ্টীয় এয়োদশ শকিতাত কাঁহ-শিল্পীসকলে সৰ্থেবাৰীত থিতাপি লৈছিল।

৩/ কাঁহ-শিল্পৰ ওপৰত বৌদ্ধধৰ্মীলোকৰ প্ৰভাৱ আছে।

৪/ সৰ্থেবাৰীলৈ অহাৰ আগতে কাঁহ-শিল্পীসকল কামৰূপৰে কোনো অঞ্চলত বাস কৰিছিল আৰু প্ৰাকৃতিক দুৰ্যোগৰ ফলত তেওঁলোক এই অঞ্চললৈ আহিছিল।

৫/ কাঁহ-শিল্পীসকল প্ৰথম ইয়াত থিতাপি লোৱাৰ সময়ত এই অঞ্চল মুচলমানৰ কোনোবা তলতীয়া ৰজাই শাসন কাৰ্য চলাইছিল।

৬/ কাঁহ-শিল্পীসকলৰ সমাজ আৰু সংস্কৃতিত উদ্ভাৱনীমূলক সংযোজন দেখা যায়।

**৬.০ উপসংহাৰ ঃ**

এই আলোচনাত কাঁহ-শিল্পীসকলৰ সমাজ আৰু সংস্কৃতিৰ ক্ষেত্ৰখনৰ বৈশিষ্ট্যমূলক কথাবিলাকতহে অধিক গুৰুত্ব আৰোপ কৰা হৈছে। ক্ষেত্ৰ অধ্যয়নত যিহেতু সৰ্থেবাৰীৰ প্ৰতিঘৰ মানুহৰে পূৰ্বপুৰুষ কাঁহ-শিল্পৰ লগত প্ৰত্যক্ষ বা পৰোক্ষ ভাবে জড়িত থকাৰ সম্ভেদ পোৱা গৈছে, সেয়ে সৰ্থেবাৰীৰ সমাজ আৰু সংস্কৃতিয়ে কাঁহ-শিল্পীসকলৰ সমাজ আৰু সংস্কৃতি হিচাপে দেখুওৱা হৈছে। শিল্পটোৰ লগত জড়িত সকলো কথাই গাণিতিক। প্ৰথম কথা কাঁহ এবিধ যৌগিক ধাতু। ৭৮% তাম আৰু ২২% ৰাং লগ লগাই কাঁহ ধাতু তৈয়াৰ কৰা হয়। দ্বিতীয়তে, শিল্প কৰ্মটোত যিকোনো ইন্ধন ব্যৱহাৰ কৰিব নোৱাৰি। জোখতকৈ বেছি তাপ সৃষ্টি হয় কাৰণে কয়লা ব্যৱহাৰ কৰিব নোৱাৰি। ইয়াৰ সলনি এঙাৰ ব্যৱহাৰ কৰা হয়। তৃতীয় তথা গুৰুত্বপূৰ্ণ গাণিতিক কথাটো হ'ল শিল্পীসকলৰ মজুৰি। মজুৰি এনেধৰণে ভাগ কৰা হয়-মূল বা ওজা কঁহাৰৰ ২৪ অনা, ২য় দক্ষজনৰ ১৬ অনা তাৰ পিচত ক্ৰমে দক্ষতাৰ ভিত্তিত ১২ অনা, ১০ অনা, ৮ অনা ইত্যাদি। এইমতে মুঠ মজুৰি ভাগ কৰি লোৱা হয়। কাঁহ-শিল্পীসকলৰ সমাজ আৰু সংস্কৃতিৰ প্ৰতিটো কথাত এই গাণিতীয় পদ্ধতিৰ প্ৰভাৱ লক্ষ্য কৰা যায়। শিল্পটোৰ লগত জড়িত আন এটি গুৰুত্বপূৰ্ণ বিষয়-বৌদ্ধধৰ্মীলোকৰ লগত কাঁহ-শিল্পীসকলৰ সম্পৰ্ক। বৌদ্ধধৰ্মী লোকসকলে ব্যৱহাৰ কৰা 'তাল' সৰ্থেবাৰীৰ কাঁহ-শিল্পীসকলে গঢ়ে। কেতিয়াৰ পৰা তেওঁলোকে এই শিল্পীসকলৰ লগত সম্পৰ্কিত হৈছিল তাৰ কোনো নিৰ্দিষ্ট তথ্য নাই। মনকৰিবলগীয়া কথাটো হ'ল বৌদ্ধধৰ্মী আৰু মংগোলীয় জনগোষ্ঠীৰ মাজত কাঁহৰ সামগ্ৰীৰ সমাদৰ আটাইতকৈ বেছি। এই কথাটোৰ বিস্তৃত গবেষণাৰ প্ৰয়োজন আছে। কাঁহ-শিল্পীসকলৰ সমাজ আৰু সংস্কৃতিৰ নৃতাত্বিক আৰু পুৰাতাত্বিক অধ্যয়ন কৰিলে ইতিহাসৰ এখন নতুন দুৱাৰ মুকলি হ'ব।

**অন্ত্যটীকা ঃ**

১/ তামুলী, প্ৰফুল্ল আৰু ডেকা দক্ষেশ্বৰ (সম্পাঃ) ঃ ভোৰতাল, স্মৃতিগ্ৰন্থ (অসম সাহিত্য সভাৰ একষষ্টিতম অধিবেশন, সৰ্থেবাৰী) ১৯৯৫,পৃষ্ঠা ৩

২/ডেকা, কৃষ্ণবল্লভ ঃ কাঁহ-শিল্প নগৰী সৰ্থেবাৰী, ১৯৯৪, পৃষ্ঠা ২৩



৩/ সদ্যোক্ত, পৃ. ২৪

৪/ ভূএগ,জয়চন্দ্ৰ ঃ (সম্পাঃ) ঃ সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ (সৰ্থেবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়) ১৯৯০, পৃ. ৮৭

৫/ তামুলী, প্ৰফুল্ল আৰু ডেকা, দক্ষেশ্বৰ (সম্পাঃ) ঃ প্ৰাগুক্ত, পৃ. ১৫

৬/ ডেকা, কাশীনাথ ঃ এইখন সৰ্থেবাৰী, ১৯৯৫, পৃ.৩৬

৭/ তামুলী, প্ৰফুল্ল আৰু দক্ষেশ্বৰ ডেকা (সম্পাঃ) প্ৰাগুক্ত, পৃ. ৬

৮/ সদ্যোক্ত, পৃ. ৭

৯/ ডেকা, সৰ্ব্বানন্দ ঃ ঐতিহাসিক সৰ্থেবাৰী, ১৯৯৪, পৃ.৫৪

**গ্ৰন্থপঞ্জী ঃ**

ডেকা, কাশীনাথ ঃ এইখন সৰ্থেবাৰী। অমিয়া ডেকা, সৰ্থেবাৰী।
প্ৰথম প্ৰকাশ ঃ ফেব্ৰুৱাৰী ১৯৯৫

ডেকা কৃষ্ণবল্লভ ঃ কাঁহ শিল্প নগৰী সৰ্থেবাৰী। জ্ঞানোদয় বুকষ্টল, সৰ্থেবাৰী।
প্ৰথম প্ৰকাশ ঃ ১৯৯৪

ডেকা, সৰ্ব্বনন্দ ঃ ঐতিহাসিক সৰ্থেবাৰী। সৰ্ব্বনন্দ ডেকা, সৰ্থেবাৰী।
প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ ১৯৯৪

তামুলী, লক্ষ্মীনাথ ঃ বুৰঞ্জী আৰু বিতৰ্ক। অসম পাবলিচিং কোম্পানী, পাণবজাৰ, গুৱাহাটী-১। নতুন সংস্কৰণ ঃ মাৰ্চ ২০২০

পাঠক ছবিনী ভূএগ, কিৰণ ভূএগ ঃ পাকা সৰুক্ষেত্ৰী মৌজা (সৰ্থেবাৰী)ৰ গ্ৰন্থপঞ্জী। ৰাজ পাব্লিকেছন, সৰ্থেবাৰী। প্ৰথম প্ৰকাশ ঃ ফেব্ৰুৱাৰী ২০০৬

ফুকন,পদ্মেশ্বৰ নাওবৈছা ঃ অসম বুৰঞ্জী। অসম প্ৰকাশন পৰিষদ, গুৱাহাটী-২১।
৩য় প্ৰকাশ ঃ জুলাই, ২০১৯

বৰুৱা, গুণাভিৰাম ঃ আসাম বুৰঞ্জী। অসম প্ৰকাশন পৰিষদ, গুৱাহাটী-২১।
ষষ্ঠ প্ৰকাশ ঃ জানুৱাৰী ২০১৬

বৰুৱা, মাধুৰ্য্যমণ্ডিত ঃ কলিতা জাতিৰ ইতিহাস। ৰেখা প্ৰকাশন, পাণবজাৰ, গুৱাহাটী-১
প্ৰথম প্ৰকাশ ঃ অক্টোবৰ ২০২০

ভূঞা, পৰীক্ষিত ঃ অভিশপ্ত সৰক্ষেত্ৰী। দুৰ্গেশ্বৰ তালুকদাৰ, সৰ্থেবাৰী।
প্ৰথম প্ৰকাশ ঃ নবেম্বৰ ১৯৭৪
ভূঞা, সূৰ্য্যকুমাৰ (সম্পাঃ) সাতসৰী অসম বুৰঞ্জী। বাণী মন্দিৰ, গুৱাহাটী-১।
২য় প্ৰকাশ ঃ ২০১৪
Barua, B.K. : A Cultural History of Assam early period. Vol-I, K.K. Barooah, Nowgong, Assam. first Edition, 1951

**আলোচনী, স্মৃতিগ্ৰন্থ ঃ**

সৰুক্ষেত্ৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ, ১৯৮৭
সৰ্থেবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ, ১৯৯০
ভোৰতাল, স্মৃতিগ্ৰন্থ, অসম সাহিত্য সভাৰ ৬১ তম সৰ্থেবাৰী অধিবেশন১৯৯৫
সৰুক্ষেত্ৰী দৰ্পন, স্মৃতিগ্ৰন্থ ১৯৯৫
সৰ্থেবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তী স্মৃতিগ্ৰন্থ ২০০১
হলীৰাম ডেকা, জীৱন, কৃতি আৰু স্মৃতি, স্মৃতিগ্ৰন্থ ২০০২

**ক্ষেত্ৰ অধ্যয়নৰ সমল ব্যক্তি ঃ**

| নাম | বয়স | বৃত্তি | ঠিকনা |
|---|---|---|---|
| অৰুণ তামুলী | ৭৮ | প্ৰাক্তন কাঁহশিল্পী | সৰ্থেবাৰী |
| গিৰীশ ডেকা | ৭৫ | মজুমদাৰ, সৰ্থেবাৰী পাঁচখেল | সৰ্থেবাৰী |
| বাণীকান্ত ভূঞা | ৭০ | ভঁৰালী, সৰ্থেবাৰী পাঁচখেল | সৰ্থেবাৰী |
| নবজিৎ তামুলী | ৪৫ | সহকাৰী অধ্যাপক | সৰ্থেবাৰী |